**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-09-2026 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***

***HEADLINES***

0000000

১। কেন্দ্ৰীয় মন্ত্ৰীসভাই ১০ হাজাৰ ৭০০ কোটি টকাৰো অধিক ব্যয়ৰ বহু-তৰপীয়া তিনিটা ৰে'লৰে প্ৰকল্পত অনুমোদন জনাইছে।

২। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি অনুৰা কুমানা দিশানায়কক আজি কলম্বোত সাক্ষাৎ কৰে।

৩। ইৰাণৰ ইছলামিক ৰিভ'লউচনেৰী গাৰ্ড ক'ৰে দাবী কৰিছে যে পাৰস্য উপসাগৰত দুখন আমেৰিকা যুক্তৰাষ্ট্ৰৰ জাহাজ আৰু আঠখন তৈল পৰিবাহী জাহাজত আক্ৰমণ কৰিছে।

৪। ইউ এছ অ'পেন টেনিছ প্ৰতিযোগিতাত আমেৰিকাৰ বেন ছেল্টন আৰু একাদশ বাছনিৰ ফ্ৰেন্সেছ টাইফ' পুৰুষৰ একক শাখাৰ ছেমি ফাইনেলত প্ৰবেশ কৰিছে।

আৰু

৫। আহমেদাবাদত অনুষ্ঠিত বিশ্ব পেৰা আৰ্চাৰীৰ তৃতীয় পৰ্যায়ৰ প্ৰতিযোগিতাৰ আজি অন্তিম দিনা ভাৰতৰ বৰ্তমানৰ ছেম্পিয়ন হৰবিন্দৰ সিং আৰু বিশ্বৰ ১ নম্বৰ স্থানৰ শীতল দেৱীয়ে সোণৰ পদক অৰ্জন কৰিছে।

0000000

কেন্দ্ৰীয় মন্ত্ৰীসভাই ১০ হাজাৰ ৭০০ কোটি টকাৰো অধিক ব্যয়ৰ বহু-তৰপীয়া তিনিটা ৰে'লৰে আঁচনিত অনুমোদন জনাইছে। নতুন দিল্লীত আজি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে এই আঁচনিয়ে দেশৰ পশ্চিম বংগ, ঝাৰখণ্ড, ওড়িশা, মধ্য প্ৰদেশ আৰু ছত্তিশগড়ৰ ১৪খন জিলাক সামৰি ল'ব। এই আঁচনিৰ অধীনত ৰে'লৰেৰ নেটৱৰ্ক আৰু ৬৫৬ কিলোমিটাৰলৈ বৃদ্ধি কৰিব। শ্ৰীবৈষ্ণৱে কয় যে এই প্ৰকল্পকেইটা খড়গপুৰৰ পৰা ঝাৰছুগুডালৈ চাৰিটা লাইন, কাটনিৰ পৰা পেন্দ্ৰা ৰোডলৈ চাৰিটা লাইন আৰু বিলাসপুৰৰ পৰা পেন্দ্ৰা ৰোডলৈ তিনিটা ৰে'ল লাইন বহুওৱা হ'ব। এই ৰে'লপথ বৃদ্ধিৰ ফলত ভাৰতীয় ৰে'লৰে সেৱাৰ সামৰ্থ্য বৃদ্ধি কৰাৰ লগতে কাৰ্যক্ষমতা আৰু আহ-যাহৰ সামৰ্থ্য বৃদ্ধি কৰিব। এই বহুশাৰী ৰে'লপথ স্থাপনৰ ফলত অঞ্চলটোত পূৰ্বতে বৃদ্ধি হোৱা ৰে'লৰ চলাচল মসৃণ হ'ব।

কেন্দ্ৰীয় মন্ত্ৰীসভাই ইয়াৰ উপৰিও তামিলনাডু, অন্ধ্ৰ প্ৰদেশ, কৰ্ণাটক আৰু তেলেংগানাৰ ১৭খন জিলাক সামৰি পাঁচটা ৰে'লপথ স্থাপনৰ বাবে অনুমোদন জনাইছে। ইয়াৰ ফলত এই অঞ্চলটোত প্ৰায় ৫৪০ কিলোমিটাৰ ৰে'লপথ নিৰ্মাণ কৰা হ'ব। ২০২৯-৩০ বৰ্ষত সম্পূৰ্ণ কৰাৰ পৰিকল্পনা কৰা এই আঁচনিৰ বাবে ১০ হাজাৰ ২১ কোটি টকাৰ ব্যয় নিৰ্ধাৰণ কৰা হৈছে। এই আঁচনিৰ অধীনত আৰাক্কনামৰ পৰা ৰেণীগুণ্টালৈকে আৰু হোৱাইট ফিল্ডৰ পৰা বাংগাৰাপেটলৈকে তৃতীয় আৰু চতুৰ্থটো লাইন স্থাপন কৰা হ'ব। এই ৰে'লপথছোৱাই দুহেজাৰ ১০০ৰো অধিক গাঁৱৰ ৫২ লাখ লোকক সামৰি ল'ব। শ্ৰীবৈষ্ণৱে জানিবলৈ দিয়ে যে মন্ত্ৰীসভাই লগতে দেশৰ সাতটা ব্যস্ত ৰে'লপথক চাৰিলেনযুক্ত কৰাৰ সিদ্ধান্ত লৈছে। এই ৰে'লপথকেইটা হৈছে দিল্লী-হাওৰা, মুম্বাই-হাওৰা, দিল্লী-মুম্বাই, দিল্লী-গুৱাহাটী, দিল্লী-চেন্নাই, হাওৰা-চেন্নাই আৰু মুম্বাই-চেন্নাই। এই পথকেইটাই ৰে'লৰে নেটৱৰ্ক ১১ হাজাৰ কিলোমিটাৰলৈ সামৰি ল'ব আৰু দুহেজাৰ কিলোমিটাৰ চতুৰ্থ শাৰী ৰে'লপথৰ নিৰ্মাণ ইতিমধ্যে সম্পূৰ্ণ হৈছে।

000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কেন্দ্ৰীয় মন্ত্ৰীসভাৰ সিদ্ধান্তই যাত্ৰীৰ খৰতকীয়া যাতায়ত, শক্তিশালী যোগাযোগ ব্যৱস্থা আৰু অতিৰিক্ত সামগ্ৰী পৰিবহন ক্ষমতা বৃদ্ধি কৰিব বুলি প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে প্ৰধানমন্ত্ৰীগৰাকীয়ে ১০ হাজাৰ কোটি টকাতকৈ অধিক ব্যয়সাপেক্ষ পাঁচটা ৰে'ল প্ৰকল্পই দক্ষিণ ভাৰতত উন্নত ৰে'ল যোগাযোগ গঢ়ি তুলি লাখ লাখ লোকক উপকৃত কৰিব বুলি জানিবলৈ দিয়ে।

০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি অনুৰা কুমানা দিশানায়কক আজি কলম্বোত সাক্ষাৎ কৰে। দুয়োগৰাকী নেতাই ভাৰত আৰু শ্ৰীলংকাৰ মাজত থকা বহুপাক্ষিক সম্বন্ধৰ বিষয়ে আলোচনা কৰে। বৈঠকত দুয়োপক্ষই অঞ্চলটোৰ সুৰক্ষা, শান্তি আৰু সমৃদ্ধিৰ বাবে দৃঢ়তা প্ৰকাশ কৰে। চুবুৰীয়া দেশ দুখনৰ মাজত থকা সভ্যতাগত সম্বন্ধ, নিকট সম্বন্ধ আৰু সামুদ্ৰিক সম্বন্ধৰ ক্ষেত্ৰত দুয়োপক্ষই কাম কৰি যোৱাৰ সন্মতি প্ৰকাশ কৰে, যাতে জনসাধাৰণৰ কল্যাণ আৰু বিকাশ সাধন হয়। দুয়োপক্ষই ভাৰতৰ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী আৰু ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা মহাবিদ্যালয়ৰ সৈতে শ্ৰীলংকা বিমান বাহিনীৰ বাবে এল-৭০ গান বিকশাই তোলাৰ বাবে দুখন বুজাবুজি চুক্তিত স্বাক্ষৰ কৰে। বায়ু প্ৰতিৰক্ষা গান বিকশাই তোলাৰ ফলত শ্ৰীলংকাৰ বায়ু প্ৰতিৰক্ষা সামৰ্থ্য বৃদ্ধি পাব। এই  বুজাবুজি চুক্তিৰ ফলত ভাৰত আৰু শ্ৰীলংকাৰ মাজত ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ শিক্ষাৰ্থীসকলৰ সৈতে শৈক্ষিক সম্বন্ধৰ ক্ষেত্ৰত জ্ঞানৰ আদান-প্ৰদান কৰাত সহযোগিতা আগবঢ়াব। দুয়োগৰাকী নেতাই ভাৰতীয় প্ৰতিৰক্ষা বাহিনীসমূহে নিৰ্মাণ কৰা তিনিখন ব্ৰেইলী ব্ৰীজ ভাৰ্চুৱেল ব্যৱস্থাৰে মুকলি কৰে।

বৈঠকত শ্ৰীসিঙে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ হৈ শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি দিশানায়কক শুভেচ্ছা জনায়। শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি দিশানায়কে ভাৰতৰ সুৰক্ষাৰ প্ৰতি ভাবুকি অহা কোনো ধৰণৰ কাৰ্যকলাপ শ্ৰীলংকাৰ ভূখণ্ডৰ পৰা চলাবলৈ নিদিয়ে বুলি দোহাৰে। তেওঁ ডিটৱাহ ঘূৰ্ণী বতাহৰ সময়ত ভাৰতে অপাৰেচন সাগৰ বন্ধুৰ জৰিয়তে দেশখনলৈ সাহায্য সামগ্ৰী প্ৰেৰণ কৰাৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰে। তেওঁ লগতে নতুন দিল্লী মহলে দ্বীপ ৰাষ্ট্ৰখনৰ বিভিন্ন প্ৰান্তত পুনৰসংস্থাপন আৰু পুনৰনিৰ্মাণ কৰাৰ বাবে আগবঢ়োৱা সহায়ৰ বাবেও কৃতজ্ঞতা প্ৰকাশ কৰে। শ্ৰীসিঙে দুয়োখন দেশৰ জনসাধাৰণৰ মাজত ঐতিহাসিক আৰু সভ্যতাগত সম্বন্ধৰে গভীৰ বন্ধুত্বপূৰ্ণ সম্বন্ধৰ কথা উল্লেখ কৰে। তেওঁ চুবুৰীয়া ৰাষ্ট্ৰ শ্ৰীলংকাক অতি ওচৰৰ বন্ধু বুলি উল্লেখ কৰি কয় যে ভৱিষ্যতেও চুবুৰীয়া ৰাষ্ট্ৰখনৰ প্ৰতি ভাৰতে দায়বদ্ধতাৰে প্ৰথমে সহায়-সহযোগিতা আগবঢ়াই যাব।

০০০০০০

ইৰাণৰ ইছলামিক ৰিভʼলিউচনেৰী গাৰ্ড কʼৰে দাবী কৰিছে যে তেওঁলোকে পাৰস্য উপসাগৰত দুখন আমেৰিকা যুক্তৰাষ্ট্ৰৰ জাহাজ আৰু আঠখন তৈল পৰিবাহী জাহাজত আক্ৰমণ কৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰই ইৰাণৰ পাচখন জাহাজত কৰা আক্ৰমণৰ প্ৰত্যুত্তৰত এই আক্ৰমণ চলাইছে বুলি ইৰাণৰ ইছলামিক ৰিভʼলিউচনেৰী গাৰ্ড কʼৰে এটা বিজ্ঞপ্তিযোগে জানিবলৈ দিছে। বিজ্ঞপ্তিটোত লগতে এইবুলি প্ৰকাশ কৰিছে যে ইৰাণৰ নৌবাহিনীয়ে ১০খন জাহাজক লক্ষ্য কৰি আক্ৰমণ চলায়।

ইফালে, আমেৰিকা যুক্তৰাষ্ট্ৰৰ চেণ্ট্ৰেল কমাণ্ডে সামাজিক মাধ্যমৰ এটা বাৰ্তাত আজি জানিবলৈ দিছে যে ইৰাণৰ ইছলামিক ৰিভʼলিউচনেৰী গাৰ্ড কʼৰে বিগত দুটা দিনত আমেৰিকা যুক্তৰাষ্ট্ৰৰ নৌবাহিনীৰ যুদ্ধ জাহাজক লক্ষ্য কৰি বেলিষ্টিক ক্ষেপনাস্ত্ৰৰে আক্ৰমণ চলোৱাৰ প্ৰত্যুত্তৰত দেশখনে কালি ইৰাণৰ পাঁচখন তৈল পৰিবাহী জাহাজত আক্ৰমণ চলাই ধ্বংস কৰে।

০০০০০০

ৰাজহ চোৰাংচোৱা সঞ্চালকালয়ে যোৱাটো সপ্তাহত অভিযান চলাই সমগ্ৰ দেশত প্ৰায় ৭৪০ কিলোগ্ৰাম ভাং আৰু আন নিচাযুক্ত দ্ৰব্য জব্দ কৰিছে। মাদক দ্ৰব্য নিচাযুক্ত পদাৰ্থ আইনৰ অধীনত সংস্থাটোৱে ১৩ জন লোকক গ্ৰেপ্তাৰ কৰিছে। জব্দ কৰা সামগ্ৰীসমূহৰ ভিতৰত প্ৰায় ৭০৯ কিলোগ্ৰাম ভাং, ২৪.৫ কিলোগ্ৰাম হাইগ্ৰেড হাইড্ৰʼপনিক ভাং আৰু ৫ কেজি অন্যান্য নিচাযুক্ত সামগ্ৰী আছে। এই ধাৰাবাহিক অভিযানে পথ, ৰেʼল আৰু বিমান পথৰ জৰিয়তে নিচাযুক্ত দ্ৰব্যৰ সৰবৰাহত ব্যাঘাত জন্মাবলৈ ৰাজহ চোৰাংচোৱা সঞ্চালকালয়ৰ দীৰ্ঘদিনীয়া প্ৰচেষ্টাক সফলতা প্ৰদান কৰে।

০০০০০০

বিধি বলবৎকাৰী সঞ্চালকালয়ে কৰ্ণাটকৰ লোক নিৰ্মান বিভাগৰ মন্ত্ৰী সতীশ জাৰ্কিহোলী আৰু তেওঁৰ কন্যা তথা লোকসভাৰ সাংসদ প্ৰিয়ংকা জাৰ্কিহোলিৰ বাসগৃহকে ধৰি কৰ্ণাটকৰ ১৮টা স্থানত তালাচী চলাইছে। সঞ্চালকালয়ে কৰ্ণাটকৰ লোক নিৰ্মান বিভাগৰ মন্ত্ৰীগৰাকীৰ সম্পৰ্কীয় ৰাই মঞ্জুনাথৰ বাসগৃহতো তালাচী চলাইছে। অৱশ্যে দুয়োগৰাকী লোকৰ বিৰুদ্ধে পৃথক গোচৰ আছে বুলি সঞ্চালকালয়ে অৱগত কৰে।

০০০০০০

ইউ এছ অ'পেন টেনিছ প্ৰতিযোগিতাত আমেৰিকাৰ বেন ছেল্টন আৰু একাদশ বাছনিৰ ফ্ৰেন্সেছ টাইফ' পুৰুষৰ একক শাখাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। অষ্টম বাছনিৰ ছেল্টনে নিউয়ৰ্কত আজি অনুষ্ঠিত কোৱাৰ্টাৰ ফাইনেলত বৰ্তমানৰ চেম্পিয়ন কাৰ্লোছ আলকাৰাজক তীব্ৰ উত্তেজনাপূৰ্ণ পাঁচটা চেটৰ খেলত ৬-৭, ৬-১, ৬-৩, ১-৬ আৰু ৭-৬ৰ ব্যৱধানত পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰে। ইফালে, যোৱা নিশা অনুষ্ঠিত আনখন কোৱাৰ্টাৰ ফাইনেলত আমেৰিকাৰ ফ্ৰেন্সেছ টাইফ'ৱে একে দেশৰে এলেক্স মাইকেলছেনক পৰাস্ত কৰে। দুয়োগৰাকী খেলুৱৈয়ে প্ৰথমবাৰৰ বাবে গ্ৰেণ্ডশ্লেম প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। বেলজিয়ামৰ আলেকজেণ্ডাৰ ব্লকছে আজি কোৱাৰ্টাৰ ফাইনেলত ৰাছিয়া কাৰেন খাচান'ভৰ মুখামুখি হ'ব। শীৰ্ষ বাছনিৰ জাৰ্মানীৰ আলেকজেণ্ডাৰ জেৰেফ নেডাৰলেণ্ডছৰ বটিক ভান ডে জানচুল্পৰ বিৰুদ্ধে কাইলৈ পুৱা প্ৰতিযোগিতাত অৱতীৰ্ণ হ'ব।

মহিলাৰ ছিংগলছত বৰ্তমানৰ চেম্পিয়ন এৰিনা ছাবালেংকা আৰু তৃতীয় বাছনিৰ জেছিকা পেগুলাই ছেমি ফাইনেলত মুখামুখি হ'ব।শীৰ্ষ বাছনিৰ ছাবালেংকাই যোৱা নিশা অনুষ্ঠিত কোৱাৰ্টাৰ ফাইনেলত ষষ্ঠ বাছনিৰ চেক গণৰাজ্যৰ লিণ্ডা নস্কোভাক পৰাস্ত কৰে। আজি পুৱা অনুষ্ঠিত আনখন কোৱাৰ্টাৰ ফাইনেলত আমেৰিকাৰ জেছিকা পেগুলাই একে দেশৰে এম্মা নাভাৰ'ক পৰাস্ত কৰে। আজি নিশা হ'বলগীয়া আন দুখন কোৱাৰ্টাৰ ফাইনেলত আমেৰিকাৰ চতুৰ্থ বাছনিৰ ক'ক' গ'ফ পঞ্চম বাছনিৰ ৰাছিয়াৰ মিৰা এণ্ড্ৰিভাৰ বিৰুদ্ধে মুখামুখি হোৱাৰ বিপৰীতে দ্বিতীয় বাছনিৰ কাজাকস্তানৰ এলেনা ৰিবাকিনাই চীনৰ কিনৱেন ঝেঙৰ মুখামুখি হ'ব।

০০০০০০

আহমেদাবাদত অনুষ্ঠিত বিশ্ব পেৰা আৰ্চাৰীৰ তৃতীয় পৰ্যায়ৰ প্ৰতিযোগিতাৰ আজি অন্তিম দিনা ভাৰতৰ বৰ্তমানৰ ছেম্পিয়ন হৰবিন্দৰ সিং আৰু বিশ্বৰ ১ নম্বৰ স্থানৰ শীতল দেৱীয়ে সোণৰ পদক অৰ্জন কৰিছে। বিশ্বৰ ১ নম্বৰ স্থানৰ শীতল দেৱীয়ে মহিলাৰ কম্পাউণ্ড একক শাখাত সোণৰ পদক অৰ্জন কৰাৰ বিপৰীতে মিক্সড ডাবলছৰ ৰিকাৰ্ভ শাখাত পেৰালিম্পিকছত দুটা পদক লাভ কৰা হৰবিন্দৰ সিঙে ভাৱনাৰ সৈতে যুটী বান্ধি সোণৰ পদক লাভ কৰে।

০০০০০০

***সমাপ্ত***